**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2026 **Time:** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। পশ্চিম বংগ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত কালি ৯২ দশমিক ৬-৭ শতাংশ ভোটদান হয়।

২। ভাৰতে ২০২৬-২৭ বৰ্ষত ৫১ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগেৰে ৬২খন জাহাজ সংযোজনৰ পৰিকল্পনা কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

৩। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি জম্মু-তাৱী ৰে'লৰে ষ্টেচনৰ পৰা শ্ৰীনগৰ-কাট্ৰা বন্দে ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱা শুভাৰম্ভ কৰিব।

৪। মধ্য প্ৰদেশৰ ধৰ জিলাত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ১২ জন শ্ৰমিক নিহত হোৱাৰ লগতে ২০জন আহত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা ৱাংখেড়ে ষ্টেডয়ামত অনুষ্ঠিত খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি সুকলমে সম্পন্ন হয়।নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালি ৯২ দশমিক ৬-৭ শতাংশ ভোটদান হয়।আয়োগে প্ৰকাশ কৰা মতে

স্বাধীনতাৰ পিছত পশ্চিম বংগত এয়া সৰ্বাধিক ভোটগ্ৰহণ। বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৰাজ্যখনত ৯৩ দশমিক ১-৯ শতাংশ ভোটদান হৈছিল। আয়োগে প্ৰকাশ কৰা মতে দুটা পৰ্যায়ৰ মুঠ ভোটৰ শতকৰা হাৰ ৯২ দশমিক ৪-৭ শতাংশ। ইয়াৰ পূৰ্বে ২০১১ চনৰ বিধানসভা নিৰ্বাচনত পশ্চিম বংগত সৰ্বাধিক ৮৪ দশমিক ৭-২ শতাংশ ভোটগ্ৰহণ হৈছিল।

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° এছ এছ সন্ধু আৰু ড° বিবেক যোশীয়ে ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনা হোৱাটো নিশ্চিত কৰিবলৈ ৱেবকাষ্টিঙৰ প্ৰক্ৰিয়াৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল।নিৰ্বাচন আয়োগৰ শেহতীয়া নিৰ্দেশনা অনুসৰি ভোটগ্ৰহণ কেন্দ্ৰ এৰাৰ পূৰ্বে প্ৰিজাইডিং বিষয়াসকলে ইচিনেটত ভোটদানৰ তথ্য আপডেট কৰিছিল ।ইয়াৰ ফলত ভোটদানৰ শেহতীয়া তথ্য সময়মতে উন্নীতকৰণ সম্ভৱ হয়।

০০০০০০০

ভাৰতে ২০২৬-২৭ বিত্তীয় বৰ্ষত ৫১ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগেৰে ৬২ খন জাহাজ সংযোজনৰ বাবে পৰিকল্পনা যুগুত কৰিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে । কালি নতুন দিল্লীত হৰমুজ প্ৰণালী সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ আন্তঃমন্ত্ৰালয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি শ্ৰী সোণোৱালে অন্য ৰাষ্টত দেখা দিয়া প্ৰতিকূল পৰিস্থিতিৰ মাজত নিজৰ স্থিতি শক্তিশালী কৰি ৰখাৰ বাবে দেশৰ জাহাজ চলোৱাৰ ক্ষমতা জৰুৰীভাৱে সম্প্ৰসাৰণৰ আহ্বান জনায়।তেওঁ ভাৰতীয় জাহাজ নিগম আৰু ৰাজহুৱা খণ্ডৰ তেল উদ্যোগসমূহে ৫৯খন জাহাজ অধিগ্ৰহণৰ বাবে গ্ৰহণ কৰা যৌথ প্ৰচেষ্টাৰ বিষয়টোও পৰ্যালোচনা কৰে। শ্ৰী সোণোৱালে কয় যে ভাৰতীয় নাৱিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা চৰকাৰৰ বাবে শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয় হিচাবে পৰিগণিত হৈ আহিছে।

০০০০০০০

হোৱাইট হাউছে ইৰাণৰ বন্দৰসমূহ সুদীৰ্ঘ সময়ৰ বাবে অৱৰোধ কৰিব বুলি ইংগিত দিয়াৰ লগে লগে ৱাশ্বিংটন আৰু তেহৰানৰ মাজত উত্তেজনা বৃদ্ধি পাইছে। পেণ্টাগনৰ পৰা প্ৰকাশ পোৱা তথ্য অনুসৰি আমেৰিকাৰ ব্যয় ২৫ বিলিয়ন ডলাৰ অতিক্ৰম কৰাৰ পাছতেই এই কথা প্ৰকাশ পাইছে। ৰাষ্ট্ৰপতি ডʼনাল্ড ট্ৰাম্পে সামাজিক মাধ্যমযোগে ইৰানক সকিয়নী দি কয় যে পাৰমানবিক অস্ত্ৰৰ ভাবুকি অব্যাহত থাকিলে কোনো চুক্তি হোৱাটো সম্ভৱ নহয়। স্থবিৰ হৈ পৰা শান্তি আলোচনাৰ মাজত ইৰানৰ সৈতে আলোচনা কেৱল টেলিফোনৰ মাধ্যমেৰে বুলি তেওঁ স্পষ্ট কৰে। শেহতীয়া পৰিস্থিতিয়ে অচলাৱস্থাৰ দিশে গতি কৰাৰ সময়তে ইৰানৰ পাৰমানবিক কাৰ্যসূচী যুদ্ধবিৰতিৰ পৰিকাঠামোৰ অংশ হʼব লাগিব বুলি আমেৰিকাই চাপ সৃষ্টি কৰি আহিছে। ইয়াৰ বিপৰীতে ইৰানে কোনো চাপৰ বশৱৰ্তী হৈ আলোচনা কৰিবলৈ অস্বীকাৰ কৰিছে। দেশখনত এতিয়াও পৰ্যাপ্ত ড্ৰোণ আৰু ক্ষেপনাস্ত্ৰৰ ক্ষমতা আছে বুলিও প্ৰকাশ কৰা হৈছে।

০০০০০০০

ৰেʼলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি জম্মু-তাৱী ৰেʼলৱে ষ্টেচনৰ পৰা শ্ৰীনগৰ-কাট্ৰা বন্দে ভাৰত এক্সপ্ৰেছ ৰেʼল সেৱা শুভাৰম্ভ কৰিব। সম্প্ৰতি শ্ৰীনগৰ আৰু মাতা বৈষ্ণো দেৱী-কাট্ৰাৰ মাজত চলি থকা ৰেʼলখনৰ সেৱা জম্মু-তাৱী লৈকে সম্প্ৰসাৰণ কৰা হৈছে। ৰেʼলখনৰ ডবাৰ সংখ্যা বৰ্তমানৰ ৮ৰ পৰা ২০লৈকে বৃদ্ধি কৰাৰ ফলত যাত্ৰীসকলৰ সুবিধা হোৱাৰ লগতে যাত্ৰাও সুচল হৈছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে এই পদক্ষেপে পৰ্যটনৰ ক্ষেত্ৰখনক গতি দিয়াৰ লগতে অধিক সংখ্যক যাত্ৰীয়ে শ্ৰীনগৰ আৰু ইয়াৰ সমীপৰ পৰ্যটনস্থলীসমূহ দৰ্শন কৰাৰ সুযোগ লাভ কৰিব। তীব্ৰবেগী এই বন্দে ভাৰত ৰেʼলসমূহ আধুনিক সা-সুবিধাৰে সজ্জিত আৰু নয়নাভিৰাম কাশ্মীৰ উপত্যকাৰ মাজেৰে দ্ৰুত, অধিক আৰামদায়ক আৰু নিৰ্ভৰযোগ্য যাত্ৰাৰ সুবিধা প্ৰদান কৰে। অঞ্চলটোৰ প্ৰত্যাহ্বানমূলক ভূখণ্ড আৰু শীতল পৰিবেশত চলাচল কৰিব পৰাকৈ ৰেʼলখন বিশেষভাৱে নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত শূন্য ডিগ্ৰী ছেলছিয়াছৰ তলৰ তাপমাত্ৰাতো যাত্ৰীসকল অসুবিধাৰ সন্মুখীন নহয়। এই পদক্ষেপৰ ফলত পেহেলগাম, গুলমাৰ্গ আৰু সোণমাৰ্গৰ দৰে পৰ্যটনস্থলীসমূহলৈ পৰ্যটকৰ যাত্ৰা অধিক সুচল হʼব বুলি আশা কৰা হৈছে।

০০০০০০০

মধ্য প্ৰদেশৰ ধৰ জিলাত যোৱা নিশা হোৱা এটা পথ দুৰ্ঘটনাত এখন যাত্ৰীবাহী বাহন বাগৰি পৰাৰ ফলত ১২জন শ্ৰমিক নিহত হোৱাৰ লগতে ২০জন আহত হয়। প্ৰাথমিক তথ্য অনুসৰি ধৰ জিলাৰ বাগগাড়ৰ পৰা ৩৫জন শ্ৰমিক কঢ়িয়াই আনি থকা অৱস্থাত ছিকলিয়া ক্ৰছিঙৰ সমীপত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই বিপৰীত দিশৰ পৰা অহা এখন গাড়ীত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। জিলাখনৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত অভিষেক চৌধৰীয়ে প্ৰকাশ কৰা মতে ১২জন শ্ৰমিক থিতাতে নিহত হয় আৰু গুৰুতৰভাৱে আহতসকলক প্ৰাৰম্ভিক চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে ইন্দোৰলৈ প্ৰেৰণ কৰা হয়। তিৰলা আৰক্ষীয়ে ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা কৰিছে। মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ পৰিয়াললৈ ৪ লাখ টকাকৈ, গুৰুতৰভাৱে আহতসকললৈ ১ লাখ টকাকৈ আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ সাহায্য ঘোষণা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজিৰে পৰা দুদিনীয়াকৈ লাডাখ ভ্ৰমণ কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে ভ্ৰমণৰ সময়ছোৱাত তেওঁ বুদ্ধ পূৰ্ণিমা উপলক্ষে কাইলৈৰ পৰা প্ৰথম বাৰৰ বাবে হ'বলগীয়া ভগৱান বুদ্ধৰ পৱিত্ৰ অৱশেষৰ আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীত অংশ ল'ব। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকসকলে এই প্ৰদৰ্শনীত ভগৱান বুদ্ধৰ প্ৰতি শ্ৰদ্ধা জনাব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইডো ক্ৰছেটোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কালি এটা বিবৃতিযোগে জানিবলৈ দিয়া অনুসৰি নেতা দুগৰাকীয়ে দুয়োখন দেশৰ মাজত থকা প্ৰতিৰক্ষা সহযোগিতাৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিব। উল্লেখযোগ্য যে এয়া হৈছে ইটালী প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ। শ্ৰীসিঙে ২০২৩ বৰ্ষৰ অক্টোবৰ মাহত ৰোম ভ্ৰমণ কৰাৰ পাছতে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক সুদৃঢ় হৈ পৰিছিল।

০০০০০০০

কৰ্ণাটকৰ বেংগালুৰুত কালি বোৰিং আৰু লেডী কাৰ্জন হস্পিতালৰ সমীপৰ এখন বেৰ খহি পৰাৰ ফলত তিনিটি শিশুকে ধৰি সাতজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো আহত হয়। অঞ্চলটোত ধাৰাষাৰ বৰষুণ, ধুমুহা আৰু শিলাবৃষ্টিৰ সময়ত এই লোককেইজনে বেৰখনৰ কাষত আশ্ৰয় লৈছিল। অকাস্মতে বেৰখন খহি পৰা ফলত এই লোককেইজন আবদ্ধ হৈ পৰে আৰু থিতাতে মৃত্যু হয়। আৰক্ষী তথা জৰুৰীকালীন সেৱা দল ততালিকে ঘটনাস্থলীত উপস্থিত হৈ অভিযান চলাই মৃতদেহকেইটা উদ্ধাৰ কৰাৰ লগতে আহত লোকসকলক চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই অঞ্চলটো পৰিদৰ্শন কৰি এই ঘটনা অতিকৈ শোকাবহ বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই লোকসকলৰ প্ৰাণহানিক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে এই ঘটনা শোকাবহ বুলি উল্লেখ কৰি

নিহতসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আৰোগ্য কামনা কৰে। উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণেও ঘটনাত গভীৰ শোক প্ৰকাশ কৰি আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০

ঝাৰখণ্ডৰ পশ্চিম চিংভূম জিলাৰ চাৰাণ্ডা বনাঞ্চলত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত এজন মাওবাদী নিহত হয়। নিহত মাওবাদীজনৰ পৰা ১ লাখ টকা উদ্ধাৰ কৰা হৈছে। লোকজন ইজৰাইল পুৰ্তি বুলি চিনাক্ত কৰা হৈছে। উল্লেখযোগ্য যে কোব্ৰা ২০৯ বেটেলিয়নকে ধৰি সুৰক্ষা বাহিনীসমূহে যোৱা দুদিন ধৰি ৰুটুগুটু টুনবেদা আৰু বৰোই অঞ্চলত অভিযান চলাই আহিছিল। এই অভিযান কালত মাওবাদী উগ্ৰপন্থীয়ে কৰা গুলীচালনাৰ প্ৰত্যুত্তৰত সুৰক্ষা বাহিনীয়ে গুলীচালনা কৰিছিল। সংঘৰ্ষস্থলীৰ পৰা সুৰক্ষা বাহিনীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু বিভিন্ন সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰিছে। আৰক্ষী অধীক্ষক অমিত ৰেণুৱে প্ৰকাশ কৰা মতে চোৰাংচোৱা সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি এই অভিযান চলোৱা হৈছিল। অঞ্চলটোত সম্প্ৰতি উচ্চ সতৰ্কতা জাৰি কৰাৰ লগতে অতিৰিক্ত বাহিনী নিয়োগ কৰা হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা ৱাংখেড়ে ষ্টেডয়ামত অনুষ্ঠি খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে। টছত জিকি মুম্বাইয়ে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৪৩ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ৰিয়ান ৰিকেলটনে ৫৫টা বলত ১২৩ ৰাণ কৰি অপৰাজিত হৈ থাকে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮ অভাৰ ২ টা বলত চাৰিটা উইকেটৰ বিনিময়ত বিজয়লক্ষ্য অতিক্ৰম কৰে। হায়দৰাবাদৰ হৈ ট্ৰেভিছ হেডে ৩০টা বলত ৭৬ ৰাণ আৰু হেনৰিক ক্লাছেনে ৬৫ ৰাণ সংগ্ৰহ কৰে। আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত